অধ্যায় ২ ঃ *ৰুক্মিণী হৰণ কাব্য*

অধ্যায় গাঁথনি

২.১ উদ্দেশ্য

২.২ পৰিচয়

২.৩ *ৰুক্মিণী হৰণ কাব্য*

২.৩.১ কাব্যৰ মূল আৰু বিষয়বস্তুৰ সাধাৰণ আভাস

২.৩.২ সামগ্ৰিক আলোচনা

২.৩.৩ চৰিত্ৰ সৃষ্টি, ৰস, ছন্দ আৰু অলংকাৰ প্ৰয়োগ

২.৩.৪ কাব্যিক সৌন্দৰ্য

২.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

২.৫ অধিক জানিবলৈ

২.৬ অগ্ৰগতিৰ খতিয়ান

২.৭ আৰ্হি প্ৰশ্ন

২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- *ৰুক্মিণী হৰণ* কাব্যৰ মূল আৰু বিষয়বস্তুৰ সাধাৰণ আভাস পাব
- কাব্যখনৰ চৰিত্ৰসৃষ্টি, শংকৰদেৱৰ মৌলিকতা আৰু কাব্যখনত প্ৰতিফলিত অসমীয়া সমাজ জীৱন সম্পৰ্কে আলোচনা কৰিব পাৰিব
- কাব্যখনৰ ৰস, ছন্দ, অলংকাৰ তথা কাব্যিক সৌন্দৰ্য সম্পৰ্কে বিশ্লেষণ আগবঢ়াব পাৰিব।

২.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়টোত আপুনি অসমীয়া সাহিত্য-সংস্কৃতিলৈ মহাপুৰুষ শংকৰদেৱৰ অনবদ্য অৱদান আৰু সাম্প্ৰতিক সময়ত তেওঁৰ প্ৰাসংগিকতাৰ বিষয়ে বহলাই অধ্যয়ন কৰিলে। সেই অধ্যায়টোতে আপোনাক তেওঁৰ সাহিত্যকৃতি সম্পৰ্কেও চমুকৈ আভাস দাঙি ধৰা হৈছিল। এই অধ্যায়টোত আমি তেওঁ ৰচনা কৰা এখন কাব্য — *ৰুক্মিণী হৰণ*ৰ বিষয়ে বহলাই অধ্যয়ন কৰিম।

শংকৰদেৱে একে বিষয়বস্তুৰ আধাৰত *ৰুক্মিণী হৰণ কাব্য* আৰু *ৰুক্মিণী হৰণ নাট* নামেৰে দুখন গ্ৰন্থ ৰচনা কৰিছে। তদুপৰি *ভাগৱতৰ* দশমৰ ৰুক্মিণী হৰণৰ কাহিনীভাগো অনুবাদ কৰিছে। ৰুক্মিণী হৰণ মূলতঃ পুৰাণ প্ৰসিদ্ধ। *হৰিবংশ, বিষ্ণুপুৰাণ, ভাগৱত পুৰাণ* আদিত কম

নোহোৱা অপবাদৰ পৰা শ্রীকৃষ্ণক মুক্ত কৰিবলৈ বিশ্বকেতুৰে তেওঁৰ ৰাজ্যৰ ৰাজপদত শ্রীকৃষ্ণক অভিষিক্ত কৰে। ইয়াৰ পিছত শ্রীকৃষ্ণ কুণ্ডিললৈ গৈ ৰুক্মিণীয়ে দিয়া নির্দেশ মতে ভবানী মন্দিৰৰ পৰা উভতি অহাৰ পৰত ৰুক্মিণীক ৰথত তুলি দ্বাৰকালৈ যাত্রা কৰে। তাকে দেখি সয়ম্বৰত উপস্থিত থকা ৰজাসকলে শ্রীকৃষ্ণক আক্রমণ কৰে; অৱশ্যে শ্রীকৃষ্ণৰ হাতত শিশুপালকে আদি কৰি সকলো পৰাজিত হয়। ৰুক্মবীৰে শ্রীকৃষ্ণৰ লগত যুদ্ধ কৰি ৰুক্মিণীৰ প্রার্থনাত কোনোমতেহে প্রাণ ৰক্ষা পৰে। ৰুক্মিণীৰ প্রার্থনাত শ্রীকৃষ্ণই ৰুক্মবীৰক প্রাণে নামাৰে যদিও দাড়ি-চুলি খুৰাই কুৎচিত কৰি এৰি দিয়ে। লাজে অপমানে ৰুক্মবীৰে কুণ্ডিললৈ ঘূৰি নগৈ 'ভোজকট' নামে এখন নগৰ নির্মাণ কৰি তাতেই থাকিবলৈ লয়। শ্রীকৃষ্ণই ৰুক্মিণীক দ্বাৰকালৈ লৈ গৈ বিবাহ সম্পন্ন কৰে। ভীষ্মক আৰু তেওঁৰ পুত্র পৰিবাৰ, বিভিন্ন দেৱতা আৰু মানৱসকলৰ উপস্থিতিত ব্রহ্মাৰ পুৰোহিত্যত উলহ মালহেৰে কৃষ্ণ-ৰুক্মিণীৰ বিবাহ সম্পন্ন হয়।

অগ্রগতি নিৰীক্ষণ



প্রশ্ন নং ১ ঃ *ৰুক্মিনী হৰণ কাব্যৰ* মূল কি?

.....

প্রশ্ন নং ২ ঃ কোন ৰজাই শ্রীকৃষ্ণক ৰাজ সিংহাসনত অভিষিক্ত কৰিছিল?

.....

প্রশ্ন নং ৩ ঃ ভীষ্মকৰ ৰৰপুত্রৰ নাম কি?

.....

২.৩.২ সামগ্রিক আলোচনা

ৰুক্মিণী হৰণ কাব্য পুৰণি কাব্যসমূহৰ ভিতৰত সকলো ফালৰ পৰাই শ্রেষ্ঠ আৰু সেইবাবে ইয়াৰ জনপ্রিয়তাও সবার্ধিক। কাব্য ৰচনাৰ ক্ষেত্রত শংকৰদেৱ *হৰিবংশ* পুৰাণৰ ওচৰ চাপিছে যদিও *ভাগৱতৰ* কথাও ইয়াত অন্তর্ভুক্ত কৰিছে। ইয়াৰ লগতে কবিৰ স্বকীয় কল্পনাৰ সহযোগত মূলত থকা কথাংশক মৌলিকতাৰ আধাৰত এক ঘৰুৱা চিত্রলৈ পর্যবেশিত কৰি কাব্যিক ৰসাস্বাদনেৰে উজ্জীৱিত কৰি তুলিছে। *হৰিবংশ* পুৰাণত ৰুক্মিণীৰ সয়ম্বৰ এবাৰ আয়োজন কৰি কৃষ্ণৰ ভয়ত আকৌ পিছুৰাই দিয়ে; কিন্তু কাব্যৰ সংহতি ৰাখিবলৈ শংকৰদেৱে স্বয়ম্বৰ দুবাৰ দেখুওৱা নাই। কাব্যত ৰুক্মিণীৰ ৰূপ-গুণৰ যি অপূর্ব বর্ণনা দিয়া হৈছে সেয়া কবিৰ নিজা সৃষ্টি। কুণ্ডিল নগৰীৰ ৰাজকন্যা ৰুক্মিণীৰ ৰূপৰ কথা শুনি শ্রীকৃষ্ণইও শয়নে-সপোনে সেই সুন্দৰীকে পাবলৈ কামনা কৰিবলৈ ধৰিলে। শিশুপালৰ সৈতে যে ৰুক্মিণীৰ বিবাহ ঠিক হৈছে এই সংবাদটো কৃষ্ণই কেনেকৈ

কৰি তোলা, বিবাহলৈ স্বৰ্গৰ দেৱতা আৰু মৰ্ত্যৰ ৰজাসকলৰ আগমন আদি কথা মূলত আছে যদিও কাব্যত ইয়াৰ বৰ্ণনা বিস্তৃত। বিবাহ উৎসৱত ভীষ্মক, শশীপ্রভা আদিৰ উপস্থিতি কবিৰ বিশেষত্বপূৰ্ণ উদ্ভাৱনা। উৎসৰ্গা প্রদান আৰু শেষত শশীপ্রভা আদিয়ে মাতবোল দি বিদায় লোৱা দৃশ্য সম্পূৰ্ণ কাল্পনিক অথচ লোকজীৱনৰ স্পর্শৰে প্রাণস্পর্শী। জৰাসন্ধ, দন্তবক্র আদি কৃষ্ণ বিদ্বেষী ৰজাসকলৰ সৈতে শিশুপাল সসৈন্যে আহি বাহৰ পাতি থকা দৃশ্যটি অসমীয়া কবিৰ নিজা সৃষ্টি। ৰুক্মিণীৰ প্রতি বলোৱামৰ সান্তনাসূচক বাণী কাব্যৰ কাহিনীত প্রয়োজন নাই কাৰণে তেনেধৰণৰ নিৰস দার্শনিক কথা কাব্যত একেবাৰে চমু। মূল 'ৰুক্ম' আৰু 'কুণ্ডিন'ক কবিয়ে যথাক্রমে 'ৰুক্মী' আৰু 'কুণ্ডিল' বুলিছে।

*ৰুক্মিণী হৰণ কাব্য*ৰ মাজত কবিয়ে য'তেই সুবিধা পাইছে তাতেই অসমীয়া মানুহৰ ৰুচি-অভিৰুচিৰ লগত খাপ খোৱাকৈ বৰ্ণনীয় বিষয়ৰ সংযোগ কৰিছে। ৰুক্মবীৰৰ নিচিনা সময়ত খঙাল বৰপো, বৰবোপাও অসমীয়াই অনেক দেখিছে আৰু বলে নোৱাৰি তেনে বৰপুতেকলৈ ভয় কৰি অশান্তিৰ হাত সাৰিবলৈ বৰপোই যি কৈছে সেয়ে হওক বুলি কোৱা ভীষ্মকৰ নিচিনা বাপেক অসমীয়াই নেদেখি থকা নাই। যাত্রাকালত মুক্ত কেশা, নাক কাটি, বাওঁহাতে সাপ, সোঁহাতে শিয়াল, আকাশত শগুণ উৰা, মুখলৈ চাই ঢোৱাকাউৰীয়ে মতা ইত্যাদি অমংগলৰ চিন বুলি অসমীয়াই বিশ্বাস কৰে। এনে এক চিত্র ৰুক্মবীৰে ৰণস্থলীলৈ যোৱাৰ সময়ত দেখা দিছে—

কেসমেলি নাককাটি অমংগলী নাৰী।
কুমৰৰ আগে নাচে হাসে ৰিঙ্গ পাৰি।।
বাসেসর্প গৈল জহিনত শৃগালিণী।
কোনে তৈল লৈব বুলি ডাকিলা তেলিণী।।
হগলপতি বিকৃত যোগিনী ফুৰে মাগি।
অনাবায়ে আগত পৰয় বৃক্ষ ভাগি।।
আকাশত শগুণ বিলাৰৈ জাকে জাকে।
মুখ চাই চাই তাক ৰটে ঢোণ্ডা কাক।।
বাধে হাঞ্চি জেঠি ফন্দে উৰ কাম কৰ।
আনো বিমংগল ধাৰে দেখিলা বিস্তৰ।।

সুমালিনীৰ দৰে ধাইয়ো অসমীয়াৰ অচিনাকি নহয়। সুমালিনী ধাই কবিৰ আপোন সৃষ্টি। অসমীয়া ধাইৰ সজীৱ প্রতিভূ সুমালিনীয়ে ৰুক্মিণীক সৰুৰে পৰাই কোলাই-বোকোচাই লৈ ডাঙৰ-দীঘল কৰিছে। বিয়া- বাৰুৰ উপলক্ষে শংকৰদেৱৰ দিনত আজিকালিৰ দৰে মিতিৰ-কুটুম্ব আৰু চিনাকীজনক আমন্ত্রণ জনোৱা হৈছিল। বিয়াৰ পিছত কন্যাৰ মাক-বাপেক আৰু অঙহী-বঙহীসকল তেতিয়াৰ কালতো যে দৰাৰ অতি আপোন হৈছিল তাৰ প্রমাণ দৈৱকীৰ উক্তিত পোৱা যায়—

তোমাৰেসে জী-জামাই তোমাৰেসে ঘৰ।

বেদনিধি কাব্যখনৰ এক উল্লেখযোগ্য চৰিত্ৰ। *ভাগৱত পুৰাণ*ৰ এই নিৰ্জীৱ চৰিত্ৰটি শংকৰদেৱৰ হাতত প্ৰাণ পাই উঠিছে। কৃষ্ণ ৰুক্মিণীৰ মাজত অধীৰ প্ৰেম-ভাব জগাই তোলাত বেদনিধিৰ অৱদান সকলোতকৈ বেছি। শ্ৰীকৃষ্ণ আৰু ৰুক্মিণীৰ বাবে বেদনিধি আছিল অতি বিশ্বস্ত বন্ধু আৰু পৰামৰ্শদাতা। বেদনিধি বুদ্ধিমান আৰু কাৰ্যপটু। ৰাজনন্দিনীৰ কাৰ্যসিদ্ধিৰ কাৰণে তেওঁ এটা কথাকে সাতগুণ বঢ়াই শ্ৰীকৃষ্ণক ৰুক্মিণীৰ কথা কৈছে। নিজা স্বাৰ্থ নথকা বেদনিধিৰ বাবে ৰুক্মিণীৰ স্বাৰ্থসিদ্ধিয়েই যেন তেওঁৰো স্বাৰ্থ। শংকৰদেৱে বেদনিধি চৰিত্ৰটিৰ মাজেৰে হাস্য ৰসৰো সৃষ্টি কৰিছে। তিলকে তালতো কৰাত বেদনিধি বাপুৰ সমকক্ষ কোনো নাই, কিন্তু শাৰীৰিক শক্তিত তেওঁ একেবাৰে লেহুকা। সেয়েহে শ্ৰীকৃষ্ণৰ কুণ্ডিল অভিমুখী বিদ্যুৎসঞ্চাৰী ৰথৰ জোকাৰণিত বেদনিধিৰ মূৰ ঘূৰাল, মূৰ্চ্ছা গ'ল। শ্ৰীকৃষ্ণৰ অশেষ যত্নত তেওঁ চেতন লাভ কৰিলে যদিও ভুল বকিবলৈ আৰম্ভ কৰিলে। এই কথা ইতিপূৰ্বেও উল্লেখ কৰি অহা হৈছে।

শংকৰদেৱে মূলত নথকা আন এটা চৰিত্ৰ সুমালিনী ধাইৰ চৰিত্ৰটি কাব্যখনত সৃষ্টি কৰিছে। মূলতঃ কাহিনীটো সুসংগতভাৱে আগবঢ়াই নিবলৈ আৰু অসমীয়া সমাজ জীৱনৰ চিত্ৰ কাব্যখনত পৰিস্ফুট কৰিবলৈ কবিয়ে চৰিত্ৰটি সৃষ্টি কৰিছে। শিশুপালৰ সৈতে যে ৰুক্মিনীৰ বিবাহ ঠিক হৈছে এই সংবাদটো ৰুক্মিণীয়ে কেনেকৈ পালে আৰু ৰুক্মিণীয়ে বিস্বস্ত ব্ৰাহ্মণজনক কাৰ হতুৱাই মতাই আনিলে এই বিষয়ে মূলত নাই। *ৰুক্মিণী হৰণ কাব্যত* এই দুয়োটা কাম সুমালিনী ধাইয়ে কৰিছে। ৰুক্মিণীৰ বিবাহৰ পাছত শ্ৰীকৃষ্ণক সুমালিনী ধাইয়ে কোৱা কথাখিনিৰ মাজেদি প্ৰবাহিত হৈছে সুমালিনী ধাইৰ মাতৃসুলভ মৰমৰ ফল্গুধাৰা—

দিনে দশ দোষ ক্ষেমিবা আপুনি
ৰুক্মিণীও শিশুমতি।
কোলায়ে বোকায়ে তুলি লোহো দুখে
সুখ দিয়া মোৰ আই।।
চৰণত ধৰো কৰাহো কাতৰ
পালিবা তুমি গোঁসাই।।

ৰুক্মিণীৰ মাতৃ শশীপ্ৰভা কবিৰ এক কল্পিত চৰিত্ৰ। কন্যাৰ বিবাহৰ কাৰণে মাতৃ হৃদয় সততে সজাগ আৰু কন্যাৰ বিবাহৰ প্ৰস্তাৱ সাধাৰণতে মাতৃৰ পৰাহে প্ৰথমে আহে। শশীপ্ৰভাও তাৰ ব্যতিক্ৰম নহয়। পুত্ৰ যিমানেই উদণ্ড নহওক কিয় মাতৃহৃদয়ে তেওঁৰ অমংগল সহ্য কৰিব নোৱাৰে। শশীপ্ৰভাও ৰুক্মবীৰৰ অমংগলৰ বাতৰি পাই অস্থিৰ হৈ পৰিছে আৰু যুদ্ধক্ষেত্ৰত মৃতপ্ৰায় পুত্ৰক দেখি অন্তৰত বেদনা উথলি উঠিছে। দ্বাৰকাত অনুষ্ঠিত ৰুক্মিণীৰ বিবাহ উৎসৱত বিয়নী দৈৱকীৰ সাদৰ ব্যৱহাৰত শশীপ্ৰভা পৰম আনন্দিত হৈছে। ৰুক্মিণীৰ স্নেহ আৰু শাসনৰ মাজেদি সুখত ৰাখিবৰ কাৰণে বিয়নী দৈৱকীৰ প্ৰতি যি অনুৰোধ বাণী শশীপ্ৰভাই প্ৰকাশ কৰিছে যি স্নেহময়ী জননীৰ অন্তৰৰ চিৰশাশ্বত প্ৰকাশ।

হিৰামণি মৰকত খচিত।।
কতো ৰজতৰ কতো শুদ্ধ সুৱর্ণৰ।
চিকিমিকি কৰে যেন কান্তি আদিত্যৰ।। (দ্বাৰকা নগৰীৰ ঐশ্বর্য্য বর্ণনা)

দুলড়ী ঃ হেন মুনি হাসি মাধৱেবোলন্ত
সুন ওৰে শিশুপাল
কৈত সুনি হাসি শৃগালৰ মুখে
ফাৰিবাৰ পাৰ জান। (শ্রীকৃষ্ণ-শিশুপালৰ ভেঁটা ভেটি)

ঝুমুৰী ঃ বাগৰা বাগৰি কৰি ফান্দি থাকে ভিৰি ভিৰি।
কতো মাল বান্ধে জুৰি থাকে পৃথিৱীত পৰি।।
(জৰাসন্ধ-বলোৰামৰ ৰণ)

ছৰি ঃ কৃষ্ণৰ চৰণ মোৰ হেন কথা কহিবাহা
ৰুক্মিণী বুলিলা হেন কক।
তোমাৰ চৰিত্র গুণ দেসান্তৰি মুখে শুনি
স্বামি ভাত্র কৰিলে তোমাক।। (ৰুক্মিণীৰ সন্দেশ)

ঝুনা বা একাৱলী ঃ সরে দেৱগনে উচর্গি আচে।
মনে মনে হৰে ব্যাঘ্র চর্ম্ম।। (হৰৰ মর্ম বেদনা)

যুদ্ধৰ বর্ণনাত যিদৰে দ্রুতলয়ৰ ঝুমুৰী ছন্দৰ ব্যৱহাৰে বীৰ ৰসৰ সঞ্চাৰত সহায় কৰিছে। একেদৰে বিলাপ আদিত দুলড়ী ছন্দৰ প্রয়োগে কাৰুণ্যক অন্তস্পর্শী কৰিছে। সাধাৰণতে কাহিনী বিৱৰণত পদ ছন্দৰ ব্যৱহাৰ হৈছে। যথাযথ ছন্দৰ প্রয়োগৰ দ্বাৰা বর্ণনীয় বিষয়ক বোৱাই নিওঁতে এটা স্তৱকৰ পৰা আনটো স্তৱকলৈ ভাবৰ বয়ন লক্ষণীয়। *ৰুক্মিণী হৰণ কাব্যৰ* ৰূপ-ৰস আৰু গন্ধৰ শ্রীবৃদ্ধিত বাৰেৰহণীয়া যিবোৰ অলংকাৰ প্রয়োগ কৰিছে সেইবোৰ প্রায়ভাগেই অসমীয়া সমাজৰ চিনাকি। জনসাধাৰণে সদায় দেখি অহা জোন, বেলি, তৰা, নদ-নদী, পাহাৰ-পর্বত, গছ-লতা, ফুল-ফল, চৰাই-চিৰিকতি আদিকেই উপমা, অনুপ্রাস, শ্লেষ, বক্রোক্তি, মালোপমা, প্রতিবস্তুপমা, দৃষ্টান্ত, অতিশয়োক্তি বিভাৱনা, ৰূপক, ব্যতিৰেক, বিষম, উৎপ্রেক্ষা আদি অলংকাৰ স্বৰূপে দাঙি ধৰিছে। কাব্যখনৰ পৰা কেইবিধমান অলংকাৰৰ উদাহৰণ দাঙি ধৰা হ'ল—

উপমা ঃ চন্দ্রতো অধিক জলে বদনৰ কান্তি।
দমন নিবিৰ যেন মুকুতাৰ পান্তি।।
আয়ত লোচন জেন নোহয় কমলে।
মদনৰ ধনু যেন ধ্রুৱযুগ জলে।।

অনুপ্রাস ঃ মন্দ মন্দ মৰৰন্দ মদগন্ধে।
মোদিত মাধবী কুঞ্জ।।
মৃদু মধুৰমে মথিত মর্দিত।

কাব্যখনৰ নান্দনিক সৌন্দর্য বৃদ্ধি কৰাত ইয়াৰ বর্ণনা কৌশলৰ এক বিশেষ স্থান আছে। সহজ-সহল শব্দ, অনুপম অলংকাৰ, ঘৰুৱা যোজনা-পটন্তৰ তথা প্রবাদ-প্রবচনেৰে সৈতে চমৎকাৰ ছন্দসজ্জাই কাব্যখনৰ বর্ণনাক সজীৱ কৰি তুলিছে। বাক্যখনৰ মাজে মাজে চৰিত্রসমূহৰ মুখত প্রত্যক্ষ উক্তিও সন্নিৰিষ্ট কৰাত ফলত কাব্যখনে এক নাটকীয় গুণো লাভ কৰিছে। সমাজ জীৱনৰ পৰিধেয় অলংকাৰৰাজিৰ উল্লেখ শংকৰদেৰে *ৰুক্মিণী হৰণ কাব্যত* খোদিত কৰিছে, লগতে আছে প্রকৃতি জীৱনৰ চিত্রও। ইয়াৰ দ্বাৰা কাব্যখনৰ জন আৱেদন বৃদ্ধি পোৱাৰ লগতে কাব্য সৌন্দর্যও বৃদ্ধি পাইছে। এইক্ষেত্রত ভীষ্মকৰ পঞ্চপুত্র আৰু ৰুক্মিণীৰ বর্ণনাৰ কথা উল্লেখ কৰিব পাৰি—

(ক) চন্দ্রতো অধিক জলে বদনৰ কান্তি।
দসন নিবিৰ জেন মুকুতাৰ পান্তি।।...
সুবর্ন্নৰ পতা সম সুষম কপোল।...
নিৰূপম নাসাক নোজোৰে তিলফুল।।
ৰুচিকৰ কর্ণ্ণ দুই দেখিত সুষম।...
অমৃত মধুৰ বাণী কোজিলৰ স্বৰ।


(খ) পিন্ধতোক নৰ নাৰী বস্ত্র অলংকাৰ।।
ৰাজাগন বহিবাৰ সাজিয়োক ঘৰ।
সুবর্ণৰ ঘটৰ উপৰে থৈলা ফল।।
গন্ধ পুষ্প চন্দনে ভূষিত হাটে বাটে।
নাচয় গাৱয় কতুহলে নটে ভাটে।।
কুণ্ডিলৰ নৰ নাৰী ভৈলা জাতিকাৰ।
পিন্ধিল বিবিধ কৰি বস্ত্র অলংকাৰ।।

ৰুক্মিণীৰ বিবাহ উপলক্ষে কুণ্ডিৰ নগৰ সজাই পৰাই তোলাৰ পৰা দ্বাৰকাৰ বিবাহ অনুষ্ঠানৰ বর্ণনালৈকে সকলোতে কবিৰ বর্ণনা শক্তিৰ পৰিপক্কতা প্রকাশ পাইছে। ৰুক্মিণীৰ বিবাহ উপলক্ষ্যে পদুলিয়ে পদুলিয়ে কলপুলি ৰোৱা, সোণৰ ঘটৰ ওপৰত ফল স্থাপন কৰা, বাট পথ সুগন্ধ চন্দনেৰে ভূষিত কৰা, নৰ-নাৰীসকলে পদুলিয়ে পদুলিয়ে মঙ্গল উৰুলি দিয়া ইত্যাদি কথাবোৰে কুণ্ডিল নগৰ যিদৰে জাতিষ্কাৰ কৰি তুলিছে সমান্তৰালকৈ কাব্যশোভাও বর্ধন কৰিছে। সেই বর্ণনাৰ কিয়দাংশ তলত দাঙি ধৰা হ'ল—

সুবর্ণৰ ঘট কৰে ফতফত নিমেখে গৃহ উপৰে।
বজ্রসৰ দৃঢ় চৌপাসৰ গড় দেৱৰো দুর্গমডৰে।।
বিচিত্র বাখৰ যিকে নিৰন্তৰ বনিয়া লোকে প্রবন্ধে।
আগৰ চন্দন লক্ষি সর্বক্ষন আমোদ কৰয় গন্ধে।।
ওনা জাইফল ডাব নাৰিকল ভাঙ্গি বিকে কতো জনা।
চেনি কৰপুৰ বিজয় প্রচুৰ গন্ধে গন্ধ ধূপ ধুনা।।

প্ৰশ্ন নং ৮ ঃ *ৰুক্মিণী হৰণ কাব্য*খনত উল্লেখ থকা কেইবিধমান বাদ্যৰ নাম লিখক।

.....



চিন্তা-চৰ্চা কৰক — ২.১

অধিক জানিবলৈত উল্লেখ থকা পুথিসমূহৰ সহায়েৰে *ৰুক্মিণী হৰণ কাব্যত* কেনেদৰে ঘৰুৱা চিনাকী উপকৰণক কলাত্মকভাৱে শংকৰদেৱে প্ৰয়োগ কৰিছে সেয়া বিশ্লেষণ কৰিবলৈ যত্ন কৰক।



২.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলো

- শংকৰদেৱে ৰচনা কৰা কাব্যসমূহৰ ভিতৰত আটাইতকৈ জনপ্ৰিয় কাব্যখনেই হৈছে *ৰুক্মিণী হৰণ কাব্য*। এই অধ্যায়টিত *ৰুক্মিণী হৰণ কাব্যৰ* বিষয়ে বহলাই আলোচনা দাঙি ধৰা হ'ল। আমি গ'ম পালোঁ যে কাব্যখনৰ মূল *হৰিবংশ* যদিও ঠায়ে ঠায়ে *ভাগৱতৰ* কথাও ইয়াত স্থান পাইছে।
- শংকৰদেৱে স্বকীয় কল্পনাৰ সহযোগত মূলত থকা কথাংশক মৌলিকতাৰ আধাৰত এক ঘৰুৱা চিত্ৰলৈ পৰ্যবশিত কৰি কাব্যখন কাব্যিক ৰসাস্বাদনেৰে উজ্জীৱিত কৰি তুলিছে। শংকৰদেৱে কাব্যখনত দুটামান কাল্পনিক চৰিত্ৰ সংযোগ কৰাৰ লগতে প্ৰতিটো চৰিত্ৰৰ ওপৰতে কলাত্মক তুলিকাৰ সাঁচ দি চৰিত্ৰসমূহ অসমীয়া কৰি তুলিছে, এই কথা আলোচনাৰ পৰা গম পোৱা গ'ল।
- কাব্যখনৰ ৰস, ছন্দ আৰু অলংকাৰ প্ৰয়োগৰ ক্ষেত্ৰত শংকৰদেৱে বিশেষ কৃতিত্ব দেখুওৱাৰ লগতে বিভিন্ন বৰ্ণনাসমূহত আপোন চিত্ৰ দাঙি ধৰি কাব্যখন জনসাধাৰণৰ ওচৰ চপাই আনিছে লগতে নান্দনিকতা বৃদ্ধি কৰিছে। এই বিষয়েও অধ্যায়টোত বহলাই আলোচনা আগবঢ়োৱা হ'ল।



২.৫ অধিক জানিবলৈ

১) চলিহা, ভৱপ্ৰসাদ (সম্পা.) (২০১১); *শংকৰী সংস্কৃতিৰ অধ্যয়ন;* নগাঁও ঃ শ্ৰীমন্ত শংকৰদেৱ সংঘ।



২.৭ আৰ্হি প্ৰশ্ন

বস্তুধৰ্মী প্ৰশ্ন

প্ৰশ্ন ১ ঃ তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ লিখক—

ক) *ৰুক্মিণী হৰণ কাব্য* শংকৰদেৱৰ কোন বয়সৰ ৰচনা?

খ) *ৰুক্মিণী হৰণ কাব্যৰ* মূল কি?

গ) *ৰুক্মিণী হৰণ কাব্যত* উল্লেখিত ব্ৰাহ্মণজনৰ নাম কি?

ঘ) পিতাক ভীষ্মকে ৰুক্মিণীৰ বাবে সয়ম্বৰ অনুষ্ঠিত কৰাৰ কথা ৰুক্মিণীয়ে কাৰ মুখেৰে গ'ম পাইছিল?

ঙ) ৰুক্মবীৰে নিৰ্মাণ কৰা নগৰখনৰ নাম উল্লেখ কৰক?

চুটি প্ৰশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ *ৰুক্মিণী হৰণ কাব্যৰ* বিষয়বস্তুৰ এক সাধাৰণ আভাস দাঙি ধৰক?

প্ৰশ্ন ২ ঃ কাব্যখনত ৰুক্মবীৰ আৰু কৃষ্ণৰ যুদ্ধৰ বৰ্ণনা কিদৰে দিয়া হৈছে — আলোচনা কৰক।

প্ৰশ্ন ৩ ঃ দ্বাৰকাত অনুষ্ঠিত কৃষ্ণ-ৰুক্মিণীৰ বিবাহ অনুষ্ঠানৰ এটি বিৱৰণ দাঙি ধৰক।

প্ৰশ্ন ৪ ঃ *ৰুক্মিণী হৰণ কাব্যত* হাস্য ৰস সম্পৰ্কে আলোচনা কৰক?

ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ *ৰুক্মিণী হৰণ কাব্যৰ* মূল আৰু শংকৰদেৱৰ মৌলিকতা সম্পৰ্কে বিশ্লেষণ আগবঢ়াওক।

প্ৰশ্ন ২ ঃ *ৰুক্মিণী হৰণ কাব্যৰ* চৰিত্ৰ চিত্ৰণত শংকৰদেৱ কিমানদূৰ সফল হৈছে আলোচনা কৰক।

প্ৰশ্ন ৩ ঃ *ৰুক্মিণী হৰণ কাব্যত* চিত্ৰিত অসমীয়া সমাজ জীৱন সম্পৰ্কে এটি নিবন্ধ যুগুত কৰক।

প্ৰশ্ন ৪ ঃ *ৰুক্মিণী হৰণ কাব্যৰ* ৰস, ছন্দ আৰু অলংকাৰ সম্পৰ্কে এটি আলোচনা যুগুত কৰক।

*** ***** ***